**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-11-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হৈছে। এই উপলক্ষে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে দিছপুৰত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা অনুষ্ঠানত তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট গল্পকাৰ আৰু প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ড০ কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰকৃতি বিষয়ত বক্তৃতা প্ৰদান কৰি বিশিষ্ট গল্পকাৰজনে ডিজিটেল মাধ্যমৰ আগমনৰ ফলত গণ মাধ্যমত পৰিলক্ষিত হোৱা পৰিৰৰ্তনসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ডিজিটেল মাধ্যমৰ আগমন অৱশ্যম্ভীয় আৰু সময়োপযোগী পৰিৱৰ্তন, কিন্তু এই পৰিৱৰ্তনৰ হাত ধৰি অহা ভুৱা তথ্য প্ৰচাৰৰ দৰে বিষয়সমূহৰ প্ৰতি নাগৰিকসকল সচেতন হোৱা উচিত। গণ্য মাধ্যমৰো এইক্ষেত্ৰত সঠিক তথ্য প্ৰদানৰ দায়িত্ব আছে বুলিও শ্ৰী শইকীয়াই কয়। অনুষ্ঠানত তথ্য আৰু গণসংযোগ বিভাগৰ সঞ্চালক, আছাম ট্ৰিবিউনৰ কাৰ্যবাহী সম্পাদককে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে ‘গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰেক্ষাপট ঃ স্বাধীনতা আৰু বিশ্বাসযোগ্যতা’ শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বিশিষ্ট লেখক, সাংবাদিক, পদ্মশ্ৰী অৰূপ কুমাৰ দত্তই এই বক্তৃতা আগবঢ়ায়। তেওঁৰ বক্তৃতাত শ্ৰী দত্তই ৭০ৰ দশকৰ পাছৰ পৰা ছপা মাধ্যমৰ বিশ্বাসযোগ্যতা ক্ৰমাৎ কমিবলৈ ধৰে আৰু বৈদ্যুতিন মাধ্যমৰ প্ৰচলনৰ পাছত এই বিশ্বাসযোগ্যতা আৰু হ্ৰাস পায় বুলি মন্তব্য কৰে। বৈদ্যুতিন মাধ্যমে বৰ্তমান সস্তীয়া জনপ্ৰিয়তা আৰু উপাৰ্জনৰ আহিলাৰূপে লঘু বাতৰিক গুৰুত্ব দিয়াৰ প্ৰৱণতাক ছপা মাধ্যমেও অনুকৰণ কৰাতো দুৰ্ভাগ্যজনক বুলি বিশিষ্ট লেখকগৰাকীয়ে কয়। সচেতন জনসাধাৰণে সংবাদমাধ্যমক পুনৰ দায়িত্বশীল আৰু বিশ্বাসযোগ্য কৰিব পাৰিব বুলি শ্ৰী দত্তই আস্থা প্ৰকাশ কৰে। অনুষ্ঠানত বিশিষ্ট সাংবাদিক সুশান্ত তালুকদাৰ, ৰাজীৱ বৰঠাকুৰ আৰু প্ৰেছ ক্লাবৰ সভাপতি সুস্মীতা গোস্বামী উপস্থিত থাকে। অনুষ্ঠানটোৰ সন্দৰ্ভত শ্ৰী গোস্বামীয়ে এনেদৰে কয়-

বাইট (সুস্মীতা গোস্বামী)

এই দিৱসৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন জিলাতো বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হয়। তিনিচুকীয়া, মাজুলী, কাৰ্বি আংলং, গোলাঘাট, যোৰহাট, ধুবুৰী, শিৱসাগৰ, মানকাচৰ আৰু বৰপেটা জিলাতো জিলা প্ৰশাসন তথা জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন কৰা হয়। নগাঁও জিলাত এই উপলক্ষে বিশিষ্ট সাংবাদিক ডালিম ফুকনক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০

নতুন দিল্লীৰ ছাই ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে ৭৩ সংখ্যক বড়ো সাহিত্য দিৱস উদযাপন কৰা হয়। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে আনুষ্ঠানিকভাৱে সভাৰ পতাকা উত্তোলন কৰে আৰু তাৰ পাছতে ফুলেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সাংস্কৃতিক

সমাবেশৰ শুভাৰম্ভণি কৰে। উল্লেখযোগ্য যে নতুন দিল্লীত কালি প্ৰথমবাৰৰ বাবে আয়োজন কৰা বড়োলেণ্ড মহোৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ** সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকিব বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতোপন বৰবৰা। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

বৰপেটাত অনুষ্ঠিত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ অধীনৰ কোচবিহাৰ ট্ৰফীৰ অসম আৰু ঝাৰখণ্ডৰ মাজৰ খেলখনৰ আজি অমীমাংসিতভাৱে সামৰণি পৰে। ইয়াৰ ফলত প্ৰথম ইনিংছত লাভ কৰা অগ্ৰগতিৰ ভিত্তিত ঝাৰখণ্ডে ৩ পইণ্ট অৰ্জন কৰাৰ বিপৰীতে অসমে এক পইণ্ট সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত চাৰিদিনীয়া খেলখনত অসমে প্ৰথমে বেট ধৰি ২৭৬ ৰান সংগ্ৰহ কৰে। ইয়াৰ পাছত ঝাৰখণ্ডে প্ৰথম ইনিংছত ৩০৭ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দ্বিতীয় ইনিংছত অসমে চতুৰ্থ দিনৰ খেলৰ শেষলৈকে ৪ উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ কৰে। চতুৰ্থ দিনৰ সমাপ্তিত অমীমাংসিতভাৱে খেলখন সামৰণি পৰে।

০০০০০০০

সমাপ্ত